জাতিৰ আৱেগ  সমাজৰ বিৱেক

# দৈনিক জনমভূমি

ortal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

Tinsukia Tuesday May 14, 2024 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত ● মূল্য ঃ ৯ টকা

...তিতম বছৰ, সংখ্যা ২৪৪ ● মঙলবাৰ ● ৩১ বহাগ ১৯৪৬ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI

Rengoni
ডিব্ৰুগড়ৰ নতুন পা...
NE
NEWS

...লেন বৈশ্য আৰু সাধাৰণ ...ম্পাদক মাধৱ দাসে কয় যে ...ৰকাৰে ৰাজহ সংগ্ৰহৰ বাবে মদক ...বাছি লোৱাটো মাৰাত্মক ভুল ...হৈছে। এই ভুলে জাতিটোক অনাগত দিনত ধ্বংস কৰিব বুলিও দাবী কৰিছে সংগঠনটোৱে। একেটা বিবৃতিতে বৈশ্য আৰু দাসে কয় যে মদৰ পৰা সংগ্ৰহ হোৱা ৰাজহেৰে ৰাজ্য চলাবলৈ গৈ যদি জাতিটোৱেই ধ্বংস হৈ যায়, তেন্তে তেনে উন্নয়ন কাৰ বাবে বুলিও সংগঠনটোৱে প্ৰশ্ন উত্থাপন কৰে। বিবৃতিটোত ১১ পিঠিলৈ

মতা আৰু চেডৰা মহ ৪০টাৰ ১১ পিঠিলৈ

## কানৈ মহাবিদ্যালয় আৰু নয়দাস্থিত জি এন আই অ’ টিৰ মাজত বুজাবুজিৰ চুক্তি



ডিব্ৰুগড় ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ১৩ মে’ ঃ ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় আৰু গ্ৰেটাৰ নয়দাস্থিত গ্ৰেটাৰ নয়দা ইন্‌ষ্টিটিউট অব্ টেকন'লজি (জি এন আই অ’ টি), ইন্‌ষ্টিটিউট অব্ মেনেজমেণ্ট ষ্টাডিজৰ মাজত ১১ মে'ত কানৈ হোটেল ৰাজ মেৰিডিয়ানৰ সভাকক্ষত এক বুজাবুজিৰ চুক্তি সম্পন্ন হয়। কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া, অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° জ্যোতিপ্ৰসাদ ফুকন, ড° অনুপজ্যোতি ভৰালী, ছাত্ৰ-ছাত্ৰীৰে সম্পৰ্কৰক্ষী সমন্বয়ক উদ্ভাৱন অধ্যাপক আদিত্য দাহাল, জি এন আই অ’ টিৰ ১১ পিঠিলৈ

## চিকিৎসক অবিহনে চলিছে টুপামাৰী ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ

**নগৰবেৰা ঃ নিজা বাতৰি দিওঁতা,** ১৩ মে’ ঃ ৰাজ্যৰ স্বাস্থ্য বিভাগত বিভাগে বছৰি কোটি কোটি টকা খৰচ কৰিলেও আজিকোপতি একাংশ চিকিৎসালয়ত নাই চিকিৎসক। পৰ্যাপ্ত পৰিমাণৰ নাই ঔষধ-পাতি। ফলত ৰাইজে

চাহ বাগিচা...
এজাহাৰৰ তি...

## পানী... চকীত ...

### আৰক্ষীৰ ...

**তিনিচুকীয়া ঃ ষ্টাফ ৰিপ'ৰ্টা...** ঘৰত সংঘটিত চুৰিৰ ঘ... পৰিস্থিতি। জানিব পৰা ম... এগৰাকী সহকাৰী পৰিচ... চুৰিৰ সংক্ৰান্তত পানীৰ... এজাহাৰত উল্লেখ কৰা

জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

...া, বিংশতিতম বছৰ, সংখ্যা ২৪৪ ● মঙলবাৰ ● ৩১ বহাগ ১৯৪৬ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Tuesday May 14, 2024 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ পৰা

## মৰেল পুলিচিঙৰ...

পৰা মতে, এই ঘটনা সংঘটিত হৈছে বিশ্বনাথৰ সাকোমঠা চাহ বাগিচাত। গৰু চুৰি কৰা বুলি সন্দেহবশতঃ সাকোমঠা চাহ বাগিচাৰ ফুলচন তঁচা নামৰ লোকজনক গাঁৱৰে একাংশ লোকে ঘৰত প্ৰৱেশ কৰি প্ৰথমে ঘৰৰ বিভিন্ন আচবাব, ঘৰৰ দুৱাৰ-খিৰিকী ভঙাৰ লগতে ঘৰৰ গৰাকী ফুলচন তঁচাক ঘৰৰ বাহিৰত আনি মাৰধৰ কৰে। কেৱল ইয়াতে ক্ষান্ত নাথাকি উত্তেজিত জনতাই লোকজনক হত্যা কৰাৰ চেষ্টা চলায় বুলি পুত্ৰই অভিযোগ তুলিছে। তেনে সময়তে ফুলচন তঁচাৰ দুই পুত্ৰ উপস্থিত হৈ ঘটনাস্থলীৰ পৰা নিজ পিতৃক ৰক্ষা কৰাৰ চেষ্টা চলায়। কিন্তু উত্তেজিত জনতাই ফুলচন তঁচাৰ দুই পুত্ৰকো অৰ্ধ উলংগ কৰি মাৰধৰ কৰি হত্যা কৰাৰ চেষ্টা চলায়। এই কথা ফুলচন তঁচাৰ পত্নীয়ে জানিব পাৰি ফ'নযোগে বিশ্বনাথ চাৰিআলি সদৰ আৰক্ষীক খবৰ দিয়ে আৰু নিজেও ঘটনাস্থলীত উপস্থিত হৈ স্বামী আৰু দুই পুত্ৰৰ প্ৰাণ ৰক্ষা কৰিবলৈ চেষ্টা কৰে। উত্তেজিত জনতাই ফুলচন তঁচাৰ পত্নীকো মাৰধৰ কৰে। তেনে সময়তে বিশ্বনাথ চাৰিআলি সদৰ আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হৈ পৰিয়ালটোক উদ্ধাৰ কৰিবলৈ চেষ্টা কৰে যদিও উত্তেজিত জনতাই আৰক্ষীৰ দলটোকো আক্ৰমণ কৰে। আনকি উত্তেজিত জনতাই আৰক্ষীৰ গাত আমবলি পৰুৱা দি পকা চপৰা, বাতুলি গুটি, বাঁহৰ লাঠীৰে আক্ৰমণ কৰে। এই আক্ৰমণত আৰক্ষী বিষয়া আৰু কেইবাজনো আৰক্ষীৰ জোৱান আহত হয়। ফলত পুনৰ ঘটনাস্থলীত অতিৰিক্ত আৰক্ষী আৰু অৰ্ধ-সামৰিক বাহিনী উপস্থিত হৈ কোনোমতে পৰিস্থিতি শান্ত কৰি পৰিয়ালটোক উদ্ধাৰ কৰে। ইতিমধ্যে ভুক্তভোগী পৰিয়ালটোক আৰক্ষীয়ে বিশ্বনাথ চাৰিআলি অসামৰিক চিকিৎসালয়ত চিকিৎসাৰ ব্যৱস্থা কৰাৰ লগতে সমগ্ৰ ঘটনাৰ তদন্ত অব্যাহত ৰাখিছে। আনহাতে, গৰু চোৰৰ সন্দেহত উত্তেজিত জনতাই আক্ৰমণ কৰা ফুলচন দীৰ্ঘদিন ধৰি গৰু-ছাগলী আদি চুৰিত জড়িত বুলি অভিযোগ ৰাইজৰ।

## কানৈ মহাবিদ্যালয়...

গ্ৰুপ হেড পংকজ কুমাৰ, জিমছৰ বিজনেল হেড প্ৰদীপ দে', জি এন আই অ' টিৰ উপ-সভাপতি চন্দ্ৰকান্ত সিং আৰু কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা স্বেচ্ছাসেৱী সংগঠন স্পিয়েৰৰ অধ্যক্ষ জ্যোতিময় হাজৰিকাৰ উপস্থিতিত উক্ত বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা হয়। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড° ৰঞ্জন চাংমাই, ডিব্ৰুগড় চৰকাৰী বালক বিদ্যালয়ৰ অধ্যক্ষ হৃদয় চৌধুৰী, গুৰুকুলৰ অধ্যক্ষ বাসৱী ভট্টাচাৰ্য হাজৰিকা, ড° ৰাধাকৃষ্ণণ বিদ্যালয়ৰ অধ্যক্ষ বিকাশ গগৈকে ধৰি ডিব্ৰুগড় চহৰৰ ভালেকেইখন শিক্ষানুষ্ঠানৰ অধ্যাপক-অধ্যাপিকা, স্বেচ্ছাসেৱী সংগঠন স্পিয়েৰৰ বিষয়ববীয়াৰ লগতে চহৰখনৰ ভালেসংখ্যক গণ্যমান্য ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে উক্ত বুজাবুজিৰ চুক্তিৰ জৰিয়তে দুয়োখন শিক্ষানুষ্ঠানৰ মাজত শৈক্ষিক প্ৰক্ৰিয়া অধিক ক্ষিপ্ৰতৰ কৰিবৰ বাবে শৈক্ষিক বিনিময়, আলোচনা-চক্ৰ, কৰ্মশালা, প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰাৰ লগতে বিভিন্নধৰণৰ গৱেষণামূলক কাৰ্যসূচী অনুষ্ঠিত কৰাত বহুখিনি সুবিধা হ'ব।

## পানীতোলা আৰক্ষী...

আৰক্ষী চকীত উত্তম-মধ্যম দিয়ে। এই কথা জানিব পাৰি চাহ বাগিচাৰ শ্ৰমিক ওলাই আহি পানীতোলা আৰক্ষী চকী ঘেৰাও কৰে। উত্তেজিত ৰাইজক ছত্ৰভংগ দিয়াবলৈ আৰক্ষীয়ে লাঠীচালনা কৰাত উত্তেজিত একাংশই আৰক্ষী চকীলৈ বুলি শিলগুটি নিক্ষেপ কৰে। পৰিস্থিতি অধিক বেয়ালৈ যোৱাৰ বাবে আৰক্ষীয়ে শূন্যলৈ কেইবাজাই গুলী ফুটাই ছত্ৰভংগ দিয়ায়। আৰক্ষীয়ে সোধা-পোছাৰ বাবে অনা লোককেইজন ক্ৰমে ৰঞ্জিত প্ৰধান, জিতেন মূড়া, বিনোদ উৰাং আৰু নেহা মগক তিনিচুকীয়া অসামৰিক চিকিৎসালয়লৈ অনা হৈছে।

শিকিছিল ঢোলবাদন, তালবাদন, খাৰিকুস্তি, ঢোল ঘূৰণ আদি। জী
বিসৰ্জন দি অশেষ কষ্ট কৰি এইজনা শিল্পীয়ে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ
বিবাহ, ৰাস উৎসৱ আদি মাংগলিক কাৰ্যত ঢোলবাদ্য পৰিৱেশন
ঢুলীয়া ভাৱৰীয়া প্ৰদৰ্শন কৰি আজি ৬৩ বছৰত ভৰি দিছে। পৰম্প
আপুৰুগীয়া অসমীয়া কৃষ্টিক জীয়াই ৰখা তথা প্ৰাণভৰি ঢুলীয়া কৃষ্টিক
নিজেই নাহাঁহি দৰ্শকক হঁহুওৱা শিল্পীগৰাকীয়ে ৰজাঘৰীয়াৰ পৰিচিত
বাবে আজিলৈ চৰকাৰীভাৱে কোনো সাহায্য লাভ কৰা নাই বুলি
উল্লেখ কৰে। লগতে তেওঁ ঢুলীয়া পৰিৱেশন কৰি পোৱা মাননিৰে সংস
অসুবিধা হোৱাৰ বাবে আৰু পেটটোৰ কাৰণে সময়ে সময়ে আনৰ
হাজিৰা কৰিবলৈ যায়। ঢুলীয়া সংস্কৃতিৰ আজন্ম প্ৰেমিক ভুপেন ৰয়ৰ ইচ
নকৰিলেও যাতে অসমীয়া শিল্পীপ্ৰেমীসকলে উপযুক্ত মৰ্যাদা আৰু অৰ্থ
ঢুলীয়া সংস্কৃতিটোক তুলি ধৰি বিশ্বৰ আগত চিনাকি কৰাই দিয়ে।

## মদৰ সৰ্বাধিক প্ৰচলনে...

বৈশ্য আৰু দাসে আনহাতে কয় যে ইতিমধ্যেই চৰকাৰৰ বিনামূলীয়
সমাহাৰে জাতিটোক কৰ্মবিমুখ তথা অকামিলা কৰিছে। তাৰ পা
ওপৰত দানহ পৰাৰ দৰে যদি মদৰ সহজ আৰু অবাধ প্ৰচলন কৰি
তেনেহ'লে অসমৰ উঠি অহা যুৱ প্ৰজন্ম সম্পূৰ্ণৰূপে ধ্বংস হোৱাৰ
আছে। গতিকে মদৰ সহজ আৰু অবাধ প্ৰচলনৰ তীব্ৰ বিৰোধিতা কৰি
প্ৰয়োজন হ'লে বিনামূলীয়া আঁচনিসমূহ বাতিল কৰি আৰ্থিক স্থিতি
কৰিবলৈ আহ্বান জনায় পৰিষদৰ নেতা দুগৰাকীয়ে। ড্ৰাগছৰ বিৰু
স্থিতি গ্ৰহণ কৰি জনসাধাৰণৰ মনত আশাৰ সঞ্চাৰ কৰা চৰকাৰ
ক্ষেত্ৰত ল'বলৈ ওলোৱা ভূমিকাই জনসাধাৰণক যথেষ্ট হতাশ ক
বিবৃতিটোত বৈশ্য আৰু দাসে উল্লেখ কৰে।